প্ৰাক্-প্ৰাথমিক শিক্ষাৰ বিভিন্ন পদ্ধতি সমূহ কি কি ?

⇒ প্ৰাক্ প্ৰাথমিক ~~শিক্ষাৰ~~ ~~বিভিন্ন~~ শিক্ষাৰ বিভিন্ন প্ৰকাৰ অনুসৰি পদ্ধতিও বেলেগ বেলেগ হয়, পদ্ধতি যদিও বেলেগ হয় যদিও সকলোবোৰ প্ৰাক-প্ৰাথমিক বিদ্যালয়ৰ উদ্দেশ্য একেই আৰু সেইটো হৈছে শিশুৰ সৰ্বাংগীন বিকাশ।

কিণ্ডাৰগাৰ্টেন স্কুলত শিশুক মুক্ত পৰিৱেশত নৃত্য-গীত আৰু বিভিন্ন খেলাৰ (ভিতৰৰ আৰু বাহিৰৰ খেল) আহিলা-পাতিৰে শিক্ষা দিয়া হয়।

মন্টেছৰী স্কুলত শিশুৰ Sense organs বা পঞ্চ-ইন্দ্ৰিয় অনুশীলনৰ দ্বাৰা বিজ্ঞান সন্মত পদ্ধতিৰে শিক্ষা দিয়া হয়। ইয়াৰ প্ৰধান উদ্দেশ্য হৈছে শিশুক আত্মক্ৰিয়াৰ যোগেদি বিভিন্ন ইন্দ্ৰিয়ৰ দ্বাৰা বিভিন্ন বিষয়ৰ ধাৰণা উপযুক্তভাৱে গঢ় দিয়া। ইয়াৰ ভৱিষ্যতে শিশুসকলে পৰৱৰ্তী সময়ত সকলো বস্তুৰে এটা শুদ্ধ ধাৰণা কৰিব পাৰিব।

নাৰ্চাৰী স্কুলত শিশুৰ দৈহিক, মানসিক, আবেগিক আৰু সামাজিক বিষয়ৰ বিকাশৰ বাবে বিভিন্ন কাৰ্য-কলাপ দিয়া হয়। যিয়ে শিশুৰ ব্যক্তিত্ব বিকাশত সহায় কৰে। নিজৰ নিজৰ সংস্কৃতি আৰু জীৱন ধাৰণৰ পদ্ধতিৰ লগত সংগতি ৰাখি এই স্কুলত শিশু সকলক শিক্ষা দিয়া হয়।

প্ৰাক্-প্ৰাথমিক বা প্ৰাক-বিদ্যালয় সমূহত কোনো ধৰণৰ নিৰ্দিষ্ট কাৰ্যসূচী অনুসৰণ কৰা নহয়, কিন্তু যিমান কাৰ্যসূচী পৰিকল্পনা কৰা হয় তাত

শিশুৰ বিকাশৰ হাৰ আৰু প্ৰয়োজনীয়তা সমন্বয় প্ৰতি লক্ষ্য স্থাপন কৰা হয়। এই কাৰ্যসূচী প্ৰয়োজন-মতে সাল সলনি কৰিব পৰা বিধৰ হয়। ইয়াত অনুশাসন, নিয়মানুবৰ্তিতা আদিৰ বিষয়েও শিক্ষা দিয়া হয়। প্ৰাক বিদ্যালয়ৰ কাৰ্যসূচীত বিভিন্ন বিধৰ কাৰ্য থাকে যেনে: ভিতৰৰ খেল, বাহিৰৰ খেল, মাংসপেশী অনুশীলনৰ খেল, শাৰীৰিক আৰু সামাজিক পৰিবেশৰ অভিজ্ঞতাৰে খেলিব পৰা খেল, শাৰীৰিক প্ৰশিক্ষণ যেনে: ব্যায়াম, নাচ-গান, যাইমঢ় দৌৰা আদি বিভিন্ন বিধৰ সৃজনীমূলক কাম যেনে: ছবি আঁকা, ৰং কৰা, কাগজ কটা আদি, প্ৰকৃতি অধ্যয়ন, স্বাস্থ্য ৰক্ষাৰ নীতি-নিয়ম, মল-মূত্ৰ ত্যাগ কৰিবলৈ শিকা আদি।

গান্ধীজীৰ আদৰ্শৰে গঢ় লোৱা প্ৰাক বুনিয়াদী স্কুল, বাল-বাড়ী আদি স্কুল সমূহ অনুন্নত, দুখীয়া আৰু নিম্ন-আয় শ্ৰেণীৰ বাবে গাঁৱ অঞ্চলত স্থাপন কৰা হৈছিল। এই স্কুল সমূহ এতিয়া যদিও নাই ইয়াত শিশু শিক্ষা আৰু স্বাস্থ্য ৰক্ষাৰ বাবে প্ৰয়োজনীয় যতন লোৱা, সামাজিক আচৰণৰ অভ্যাস গঠন কৰা, অৰ্থনৈতিক আৰু সাংস্কৃতিক প্ৰয়োজন পূৰণ কৰা আদিৰ লগতে জড়িত কাৰ্যসূচী সমূহ অন্তৰ্ভুক্ত কৰা হয়। এই শিক্ষাক প্ৰাথমিক শিক্ষাৰ বিকল্প হিচাপে গঢ়ি তোলা হৈছিল।